# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 30-05-2025 **Time :** 0755Hrs.

## Assamese Morning Bulletin

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি ভিডিঅ ' কনফাৰেন্সিংযোগে ৰাজ্যখনৰ জিলা আয়ুক্তসকলৰ সৈতে বৈঠকত মিলিত হয়। এই বৈঠকত তৃতীয় পৰ্যায়ৰ অৰুণোদয়ৰ ফলপ্ৰসূ ৰূপায়ণ আৰু এই অভিযানৰ অগ্ৰগতি সম্পৰ্কে মুখ্যমন্ত্ৰীয়ে বিতংকৈ বুজ লয়। আলোচনা কালত এটি কলি দুটি পাত শীৰ্ষক নতুন আঁচনিখনৰ ৰূপায়ণৰ বিষয়েও স্থান লাভ কৰে। তদুপৰি বিভিন্ন জিলাত থকা চাহবাগিচাসমূহত স্থায়ী শ্ৰমিক আৰু অস্থায়ী শ্ৰমিকৰ পৰিসংখ্যা তথা চাহবাগিচাৰ কৰ্মচাৰীৰ সংখ্যা আৰু জিলা পৰ্যায়ত ৰূপায়ণ সমিতি গঠনকে ধৰি কেইবাটাও বিষয় মুখ্যমন্ত্ৰীয়ে আয়ুক্তসকলৰ সৈতে আলোচনা কৰে।

০০০০০

দেশৰ বিভিন্ন প্ৰান্তৰ লগতে অসমতো বিকশিত কৃষি সংকল্প অভিযান আৰম্ভ হৈছে। কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰালয়ৰ অধীনত সমগ্ৰ দেশজুৰি আজি আৰম্ভ হোৱা এই অভিযানত অসমৰ ২৬ খন জিলাৰ ৩ হাজাৰ ২৫০ খন গাঁও আৰু ৫ লাখৰো অধিক কৃষকক সামৰি লোৱা হৈছে।

**ধেমাজি** উন্নয়ন খণ্ডৰ অন্তৰ্গত বাটঘৰীয়া গাঁও পঞ্চায়তত ৪০০ৰো অধিক কৃষকৰ উপস্থিতিত বিকশিত কৃষি সংকল্প অভিযানৰ শুভাৰম্ভণি অনুষ্ঠানৰ আয়োজন কৰা হয়। অনুষ্ঠানত কৃষক, কৃষি বিজ্ঞানী আৰু অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযান, কৃষি, পশু আৰু দুগ্ধ তথা মৎস্য বিভাগকে ধৰি বিভিন্ন বিভাগৰ বিষয়াসকলৰ সৈতে মত বিনিময় কৰা হয়। অনুষ্ঠানত ধেমাজি কৃষি বিজ্ঞান কেন্দ্ৰৰ জ্যেষ্ঠ বিজ্ঞানী ডº গুঞ্জন গগৈয়ে খাৰিফ শস্যৰ শেহতীয়া বহনক্ষম প্ৰযুক্তি, জৈৱিক কৃষিকে ধৰি কৃষকৰ বাবে প্ৰয়োজনীয় বিভিন্ন তথ্য অৱগত কৰে। ১৩ দিনীয়া এই কাৰ্যসূচীত জিলাখনৰ ৫২টা স্থানৰ সকলো গাঁও পঞ্চায়তৰ অন্তৰ্গত ১০ হাজাৰৰো অধিক কৃষকক সামৰি লোৱা হৈছে।

কৃষি মন্ত্ৰী অতুল বৰাই কালি **ডিব্ৰুগড়** জিলাত এই অভিযানৰ শুভাৰম্ভ কৰে। এই উপলক্ষে মানকটা খেলপথাৰত আয়োজিত সভাত ভাষণ দি শ্ৰীবৰাই কেন্দ্ৰীয় তথা ৰাজ্য চৰকাৰে কৃষি ক্ষেত্ৰৰ বিকাশৰ বাবে গ্ৰহণ কৰা পদক্ষেপৰ লগতে কৃষকৰ আয় বৃদ্ধিৰ লক্ষ্যৰে ৰূপায়ণ কৰা আঁচনিসমূহৰ বিষয়ে অৱগত কৰে। মন্ত্ৰীগৰাকীয়ে কৃষকসকলক কৃষি ক্ষেত্ৰত আধুনিক প্ৰযুক্তিৰ ব্যৱহাৰত গুৰুত্ব দিবলৈ আহ্বান জনায়। ডিব্ৰুগড় জিলাত এই অভিযানত উদ্যোগ, বাণিজ্য আৰু ৰাজহুৱা প্ৰতিষ্ঠান বিভাগৰ মন্ত্ৰী বিমল বৰায়েও অংশগ্ৰহণ কৰে। জিলাখনত এই অভিযানৰ অধীনত ১০ হাজাৰ ৪০০ কৃষকক সামৰি লোৱা হৈছে।

**লখিমপুৰ** জিলাতো এই অভিযানৰ অংশ হিচাপে জিলা প্ৰশাসনৰ বিষয়ববীয়া, কৃষি বিজ্ঞানী আৰু বিভাগীয় বিষয়াসকলে কৃষকৰ মাজত সজাগতা সৃষ্টিৰ বাবে প্ৰয়াস চলাইছে।

**কাছাৰ** জিলাতো আজি এই অভিযানৰ লগত সংগতি ৰাখি আলোচনা সভাৰ আয়োজন কৰা হয়। সভাত শিলচৰৰ বিধায়ক দ্বিপায়ন চক্ৰৱৰ্তী আৰু জিলা কৃষি বিষয়াকে ধৰি ভালেসংখ্যক লোক উপস্থিত থাকে।

উল্লেখযোগ্য যে দেশৰ ৭০০ খন জিলাৰ প্ৰায় ডেৰ কোটি কৃষকক কৃষি আৰু আনুষংগিক ক্ষেত্ৰসমূহৰ বিষয়ে সজাগ কৰি তোলাৰ উদ্দেশ্যে বিকশিত কৃষি সংকল্প অভিযান আৰম্ভ কৰা হৈছে। এই কাৰ্যসূচীৰ সময়ছোৱাত খাৰিফ শস্য উৎপাদনত সহায়ক হোৱাকৈ বহনক্ষম প্ৰযুক্তিৰ বিষয়ে প্ৰচাৰ, ভূমি স্বাস্থ্য পত্ৰৰ আধাৰত সাৰৰ ব্যৱহাৰ, কৃষি খণ্ডৰ বিভিন্ন সমস্যাৰ অধ্যয়ন আৰু ইয়াৰ ওপৰত প্ৰাথমিকভাৱে গৱেষণাৰ ৰূপৰেখা তৈয়াৰৰ ব্যৱস্থা কৰা হ'ব।

0000000

শিৱসাগৰৰ বিধায়ক অখিল গগৈয়ে আকস্মিকভাৱে কালি ৰংঘৰ পৰিদৰ্শন কৰে। আহোম ৰাজত্বৰ ঐতিহ্যবাহী স্মাৰক ৰংঘৰৰ সংৰক্ষণৰ দায়িত্ব পুৰাতত্ব বিভাগৰ হাতত ন্যস্ত আছে যদিও বিভাগটোৱে ঠিকমতে এই দায়িত্ব পালন কৰা নাই বুলি বিধায়কগৰাকীয়ে অসন্তুষ্টি প্ৰকাশ কৰে। এই সন্দৰ্ভত প্ৰতিক্ৰিয়া প্ৰকাশ কৰি বিধায়ক শ্ৰী গগৈয়ে কয়, যে এই ঐতিহাসিক স্থানখনৰ সংৰক্ষণৰ ক্ষেত্ৰত পুৰাতত্ব বিভাগৰ গাফিলতি স্পষ্ট। ৰংঘৰৰ দৰে ঐতিহাসিক সম্পদৰ এই দুৰৱস্থাই আমাৰ সকলোকে লজ্জিত কৰিছে বুলিও শ্ৰী গগৈয়ে কয়। বিভাগটোৰ গাফিলতা সন্দৰ্ভত উৰ্ধতন চৰকাৰী কৰ্তৃপক্ষক অভিযোগ দাখিল কৰিব বুলিও শিৱসাগৰৰ বিধায়কগৰাকীয়ে প্ৰকাশ কৰে।

0000000

কেন্দ্ৰীয় মন্ত্ৰী তথা ডিব্ৰুগড় সংসদীয় সমষ্টিৰ সাংসদ সৰ্বানন্দ সোণোৱালৰ এটা কাৰ্যালয় ডিব্ৰুগড়ৰ মিলন নগৰত কালি আনুষ্ঠানিকভাৱে উদ্বোধন কৰা হয়। বিজেপিৰ জিলা সভাপতি দুলাল বৰাই উদ্বোধন কৰা অনুষ্ঠানত ডিব্ৰুগড় পৌৰ নিগমৰ মেয়ৰ ডাঃ চৈকত পাত্ৰ, ডিব্ৰুগড় উন্নয়ন প্ৰাধীকৰণৰ সভাপতি অসীম হাজৰিকা, জিলা প্ৰাক্তন সভাপতি উজ্বল কাশ্যপকে ধৰি বহু দলীয় কৰ্মকৰ্তা উপস্থিত থাকে।

0000

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে কাইলৈ নিশা ৮ বাজি ২ মিনিটত ইয়াৰ দৃষ্টিপাত অনুষ্ঠানত সেনাবাহিনীত কৰ্মসংস্থাপনৰ সুবিধা শীৰ্ষক এটা বিশেষ আলোচনা অনুষ্ঠান প্ৰচাৰ কৰিব। এই অনুষ্ঠানত নৌ-বাহিনীৰ অৱসৰপ্ৰাপ্ত কমোডৰ কমলেশ চৌধুৰী আৰু স্থল সেনাবাহিনীৰ অৱসৰপ্ৰাপ্ত ব্ৰিগেডিয়াৰ বলেন্দ্ৰ গোস্বামীয়ে অপাৰেচন সিন্দূৰত সেনাবাহিনীৰ সফলতাৰ আঁৰৰ কথাও প্ৰকাশ কৰিব। এই অনুষ্ঠানটিৰ আঁত ধৰিব আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰে। এই অনুষ্ঠান আকাশবাণী গুৱাহাটীৰ ১০১ দশমিক ৬ মেগাহাৰ্টজ, অল ইণ্ডিয়া ৰেডিঅ' এপৰ লগতে ফে'চবুক পেজ AIRNEWSGHY.RNUত আৰু ইউটিউব চেনেল @AIRNEWSGUWAHATI ত লাইভ ষ্ট্ৰিমিঙতো শুনিবলৈ পাব।

0000000

**সমাপ্ত**